**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-10-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একতাৰ ভাৱনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় একতা ভংগ কৰাৰ প্ৰচেষ্টা চলোৱা বিভাজনকাৰী শক্তিসমূহৰ পৰা সাৱধানে থাকিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। গুজৰাটৰ কেৱৰিয়াত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ সমাৰোহত জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অনাগত ২৫ বছৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাষ্ট্ৰীয় একতা অত্যন্ত গুৰুত্বপূৰ্ণ তেওঁ কয় যে বিগত ১০ বছৰত তেওঁৰ চৰকাৰে নিজৰ নীতি আৰু সিদ্ধান্তৰ জৰিয়তে এক ৰাষ্ট্ৰৰ ভাৱনাক সদায় শক্তিশালী কৰি আহিছে।

ৰাষ্ট্ৰীয় একতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে লগতে কয় যে দেশৰ সন্মুখত এনে বহু প্ৰত্যাহ্বান আছে, যিসমূহে একতা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত শংকাৰ সৃষ্টি কৰিছে। তেওঁ নাগৰিকসকলক ইয়াৰ বাবে সদায় সজাগ হৈ থাকিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একতা নগৰৰ চৰ্দাৰ বল্লভ ভাই পেটেলৰ একতাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। প্ৰধানমন্ত্ৰীয়ে একতা দিৱসত সংকল্প পাঠো কৰোৱায়। তেওঁ লগতে একতা দিৱসৰ কুচ-কাৱাজ প্ৰত্যক্ষ কৰে। এই কুচ-কাৱাজত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, এন চি চি, ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড, সীমান্ত সুৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষীৰ জোৱানে অংশ লয়। ভাৰতীয় বায়ুসেনাৰ সূৰ্য কিৰণ গোটে বিমানেৰে আকাশত ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰে।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হ'ব। ইয়াকে লৈ ৰাজ্যৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাট-পথসমূহো আলোকমালাৰে সজ্জিত কৰি তোলা হৈছে। মৃৎশিল্পীসকলে প্ৰস্তুত কৰা মাটিৰ চাকিৰে বজাৰসমূহ ভৰি পৰিছে। ইয়াৰ লগতে বিভিন্ন বিজুলী বাতি তথা অন্যান্য প্ৰয়োজনীয় পূজাৰ উপকৰণ আৰু সা-সামগ্ৰীৰে দোকানসমূহ সজাই তোলা হৈছে। বাসগৃহসমূহো আটক ধুনীয়াকৈ আলোকমালাৰে সজ্জিত কৰা হৈছে। সমান্তৰালকৈ কালী পূজাৰ বাবে মন্দিৰসমূহত ব্যাপক প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে।

ইপিনে, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে সকলোকে সেউজ দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনাইছে। দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত ৰাজহুৱা শান্তি-শৃংখলা, সুৰক্ষা তথা শব্দ প্ৰদূষণ ৰোধ কৰাৰ স্বাৰ্থত তথা দেশৰ উচ্চতম ন্যায়ালয় আৰু পৰিৱেশ সুৰক্ষা নিয়ম ১৯৮৬ৰ প্ৰতি সন্মান জনাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ সংশ্লিষ্ট ধাৰাৰ অধীনত বিভিন্ন জিলাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি দীপাৱলীৰ নিশা ১০ বজালৈ আৰু ষট পূজাৰ দিনা পুৱা ৬ বজাৰ পৰা ১০ বজালৈকে নাগৰিকে ফটকা ফুটাব পাৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী আনন্দ

উৎসাহৰ উৎসৱ আৰু এই উৎসৱে অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞান আৰু অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ কথাকে সূচায়।

উপ-ৰাষ্ট্রপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কয় যে দীপাৱলী কেৱল ভাৰততে নহয়, বৰং বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও এই উৎসৱ উৎসাহ-উদ্দীপনাৰে পালন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণৰ সুস্বাস্থ্য, শান্তি আৰু সমৃদ্ধি কামনা কৰে।

ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজা উপলক্ষে অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এন্ধাৰ বিনাসী আগুৱাই যোৱা উৎসৱ দীপাৱলীৰ তাৎপৰ্যই সকলোকে প্ৰমূল্যৰ ভিত্তিত মানৱীয় সমাজ গঢ়িবলৈ প্ৰেৰণা যোগায়। এই উৎসৱে জনসাধাৰণৰ মাজত ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰাৰ লগতে শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা কালী পূজা উদযাপন কৰা হৈছে। ধুবুৰীত দীপাৱলী আৰু কালী পূজা উপলক্ষে ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত বিনামূলীয়াকৈ মাটিৰ চাকি বিতৰণ কৰা হয়। লগতে, গোৱালপাৰা চহৰৰ সমীপৰ শোলমাৰীত আজিৰ পৰা তিনিদিনীয়াকৈ কালী পূজা অনুষ্ঠিত হৈছে।

ooooo

ৰাজ্যৰ ৫ টা সমষ্টিত অহা ১৩ নৱেম্বৰত হবলগীয়া উপ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। পাঁচোটা সমষ্টিতে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টীয়ে তীব্ৰ প্ৰচাৰ অভিযান চলাইছে। উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ধলাই বিধানসভা সমষ্টিৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত ৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

oooooooo

সমাপ্ত